**SET-4**

**Series ΩQAΩA**

**Q.P. Code 15**

Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

- Please check that this question paper contains **4** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **12** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময়: 2 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 40*

*Time allowed : 2 hours* | *Maximum Marks : 40*

## SECTION A

## (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা – *4×2=8*

অসমীয়া সাহিত্যৰ ইতিহাসত বৈষ্ণৱ যুগটোক সোণালী যুগ বুলি ধৰা হয় । এই যুগৰ ঘাই পুৰুষ মহাপুৰুষ শংকৰদেৱ । অসমৰ ধৰ্মীয় দিশত গুৰুজনাৰ অপৰিসীম অৱদানৰ বাহিৰেও সামাজিক-সাংস্কৃতিক দিশত তেখেতৰ অৱদান অতুলনীয় । তাতোকৈ গুৰুত্বপূৰ্ণ হৈছে তেখেতৰ সাহিত্যিক দিশত অৱদান । যদিও ধৰ্মীয় আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যেই ৰচিত হৈছিল; তথাপি সেই সাহিত্যৰাজিয়ে সময়ৰ সোঁত অতিক্ৰমি আজিও নিজ মহিমাৰে মণ্ডিত হৈ যুগজয়ী ৰূপে বৰ্তি আছে ।

অসমীয়া সাহিত্যৰ বুৰঞ্জী আলোচনা কৰোঁতে প্ৰথম অৱস্থাটোক অৰ্থাৎ অসমীয়া ভাষাৰ উৎপত্তিৰ পৰা শংকৰদেৱৰ পূৰ্বলৈকে এই কালছোৱাক কোনোৱে আদিযুগ আখ্যা দিছে । শংকৰদেৱৰ পূৰ্বৰ মহান কবি মাধৱ কন্দলী আদিৰ সময়ছোৱাক কোনোৱে প্ৰাক-শংকৰ যুগ বুলিও ধৰিছে । প্ৰথম ভাগটোক মৌখিক বা লৌকিক সাহিত্যৰ যুগ বুলিও কোৱা হয় । শংকৰদেৱৰ যুগটোক বৈষ্ণৱ যুগ নাম দিয়া হৈছে । এই যুগটোৱে শংকৰদেৱৰ পৰৱৰ্তী কালৰো অনেকখিনি সামৰিছে । শংকৰদেৱৰ বহুতদিন পিছলৈকে অসমীয়া সাহিত্যত লক্ষণৰ বিশেষ পৰিৱৰ্তন নোহোৱাৰ বাবে শংকৰদেৱৰ যুগ অথবা বৈষ্ণৱ যুগটোৱে ভালেখিনি সময় বা বছৰ আৱৰিছে ।

অসমীয়া বৈষ্ণৱসাহিত্য বিশাল ভাৰতীয় পৃষ্ঠভূমিৰ লগত জড়িত । খ্ৰীষ্টীয় ত্ৰয়োদশ-চতুৰ্দশ শতিকা মানৰপৰা দেশৰ বিভিন্ন প্ৰান্তত গা কৰি উঠা ভক্তি আন্দোলনৰ ফলস্বৰূপে এক বিশেষ ধাৰাৰ সাহিত্যৰ সৃষ্টি হৈছিল । ষষ্ঠদশ শতিকাৰ অসমৰ বৈষ্ণৱ সাহিত্যও এই ভক্তি আন্দোলনৰেই ফল মাথোন । সমগ্ৰ দেশতে এচাম সাধক কবি-সাহিত্যিকৰ কন্ঠ নিসৃত ভক্তি আন্দোলনৰ বাণীয়েই উৎকৃষ্ট সাহিত্য ৰূপত সুপ্ৰতিষ্ঠিত হৈ বিবিধ প্ৰান্তীয় সাহিত্যক সমৃদ্ধ কৰি তোলে । শংকৰ দেৱৰ আগতেও বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ সুঁতি প্ৰাচীন সময়-কামৰূপ বেহাৰ ৰাড্যত প্ৰৱাহিত হৈ আছিল । সেই সময়ৰ কবি-সাহিত্যকৰ ৰচনাত বৈষ্ণৱ ধৰ্মীয় কথা দুই-এটাই হয়তো ঠাই পাইছিল । তেনে বিষয়বস্তু সাহিত্য-কৰ্মৰ বাবে গ্ৰহণ কৰিলেও বৈষ্ণৱ আদৰ্শ আৰু মতবাদ প্ৰচাৰৰ উদ্দেশ্য সেই ৰচনাসমূহ সৃষ্টি হোৱা নাছিল ।

শংকৰদেৱে আৰম্ভ কৰা ভক্তি-আন্দোলনটিক নৱ বৈষ্ণৱ আন্দোলন বুলিও কোৱা হয় । নৱ বৈষ্ণৱ ধৰ্ম অথবা ভক্তি ধৰ্মৰ আদৰ্শ আৰু মতবাদ প্ৰচাৰৰ অৰ্থে শংকৰদেৱক কেন্দ্ৰ কৰি এচাম কবি-সাহিত্যিকৰ সৃষ্টি হৈছিল । সেইসকলৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ গীত-মাতে জনপ্ৰিয়তা লাভ কৰিছিল । কিন্তু ৰাজনৈতিক অস্থিৰতাৰ কাৰণে সঘনে বাসস্থান সলাই ফুৰাৰ পিছতো শংকৰদেৱে সাহিত্যৰ বিবিধ বিভাগলৈ যি অমূল্য অৱদান আগবঢ়াই গ'ল সেই কথা বিচাৰ কৰিলে সঁচাকৈয়ে বিস্ময় মানিব লাগে ।

(i) মহাপুৰুষ শংকৰদেৱে কোন কোন দিশত অৱদান আগবঢ়াইছিল ?

(ii) বৈষ্ণৱ যুগটোৱে ভালেখিনি সময় আৱৰাৰ কাৰণ কি ?

(iii) গুৰুজনাৰ কোনটো কথা বিস্ময় মানিবলগীয়া ?

(iv) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – গ্ৰহণ, সৃষ্টি

## SECTION B
## (লিখন কলা)

**2.** "ক" বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা "সংগীত প্ৰতিযোগিতা" খনৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । *4*

**3.** তুমি এইবেলি পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাইছিলা সেই বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা । *4*

**4.** তলত দিয়া যিকোনো ***এটা*** জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি বাক্যৰচনা কৰা – *1×2=2*

(i) আঁঠু কাঢ়,

(ii) গা এৰা দে,

(iii) ঘৰ ল

## SECTION C
## (ব্যাকৰণ)

**5.** সমাৰ্থক শব্দ লিখা – (যিকোনো ***তিনিটা***) *3*

(i) আকাশ

(ii) চন্দ্ৰ

(iii) দিন

(iv) ৰজা

**6.** প্ৰত্যয় যোগ কৰা – *3*

(i) মিছা+অলীয়া

(ii) বজাৰ+উৱা

(iii) নদী+আল

**7.** তলত দিয়া শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – (যিকোনো ***তিনিটা***) *3*

(i) আস্তিক

(ii) গুণ

(iii) দীঘল

(iv) মিত্ৰ

**8.** লিংগ –

যিবোৰ শব্দই পুৰুষ-স্ত্ৰী উভয়কে বুজাই সেইবোৰক কোন লিংগৰ অন্তৰ্ভুক্ত কৰা হৈছে লিখা আৰু সেইবোৰৰ দুটাকৈ উদাহৰণ দিয়া । *3*

## SECTION D
### (গদ্য ভাগ)

**9.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×3=3*

(i) অৰণ্য যাত্ৰাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কি জ্ঞান পালে ?

(ii) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল-আফতাব হঁত কিয় বিপদত পৰিছিল ?

**10.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) পাহিয়ে অৰণ্য যাত্ৰাৰ বাবে লগত কি কি বস্তু লৈছিল ?

(ii) বিজ্ঞান শিক্ষয়িত্ৰী মালৱিকা বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক কি উপদেশ দিছিল ?

**11.** ব্যাখ্যা কৰা – *1×3=3*

(i) চোৰা চোৰা জীৱসকল ভেলৰে বিলাই ।

**নাইবা**

(ii) তোমাৰ পাঠ্যপুথিত থকা "জিকিৰ" পাঠৰ সাৰাংশ লিখা ।

**12.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) "জিকিৰ" শব্দটো ক'ৰ পৰা আহিছিল ? ইয়াৰ অৰ্থ কি ?

(ii) হজৰত শ্বাহ মিলনৰ নামটো কেতিয়াৰ পৰা আজান ফকীৰ হৈছিল ?